দিনাংক - ৭ ডিচেম্বৰ ২০১৩

**'গুপন চল কাৰ্য্য বন্দী কৰাৰ বাবে কেমেৰা ভাড়াত পোৱা যায়' -**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

ইকন'মিক টাইমছ কাকতৰ পৃষ্ঠা ৪ ত - ' গুপন চল কাৰ্য্য বন্দী কৰা লোকসকলৰ বিশ্বাস হানি হৈছে নেকি ?' শীৰ্ষক প্ৰতিবেদন প্ৰকাশিত হৈছে ।

এই ঘটনাৰ মূল কাৰণ হৈছে যে বিগত কিছু বৰ্ষত বহুসংখ্যক ৱেবচাইট গঢ় লৈ উঠিছে । ইয়াৰে বহুতেই বিশেষভাৱে গুপন কাৰ্য্য বন্দী কৰাত বিশেষত্ব লাভ কৰিছে । তেওঁলোকৰ অস্তিত্ব আৰু জীৱিকা নিৰ্বাহৰ বাবে আন বেলেগ উপায় নাই । এতিয়া তেওঁলোকে নিজকে সমিতি আৰু মুনাফাবীহিন প্ৰতিষ্ঠান হিচাপে পঞ্জীভূত কৰিব'লৈ লৈছে যাতে তেওঁলোক চচ্ছতাৰ পৰা বাচিব পাৰে যি কোম্পানীজ এক্টৰ ভিত্তিত পঞ্জীভূত কোম্পানীৰ বাবে বাধ্যতামূলক । এটা কোম্পানীয়ে দৈনন্দিন একাউন্ট ৰাখিব লাগে, আৰু বেলেঞ্চ ছিট আৰু ষ্টেটমেন্ট অফ একাউন্ট প্ৰত্যেক বছৰে ৰেজিষ্ট্ৰাৰ  অফ কোম্পানীক জমা দিব লাগে । আৰু এই তথ্য যি কোনো ব্যক্তিয়ে সংগ্ৰহ কৰিব পাৰে আৰু সেইবাবে এটি কোম্পানীৰ বিত্তীয় ব্যৱস্থা চচ্ছ অৱস্থাত থাকে । অৰ্থাৎ কোম্পানীৰ ক্ষেত্ৰতহে এই সুবিধাতো প্ৰযোজ্য ।

মই পূৰ্বতেও মন্তব্য আগবঢ়াইছিলো যে, এনে ধৰণৰ বহুতো ৱেবচাইট বে-কংগ্ৰেছী নেতৃত্বৰ বিৰুদ্ধে ব্যৱহাৰ কৰা হয় । তেওঁলোকৰ মুখ্য লক্ষ্য আছিল শ্ৰীযুত নৰেন্দ্ৰ মোডী । এই ৱেবচাইটবোৰে আনকি কিছুদিন পূৰ্বে আম আদমী পাৰ্টিৰ বিৰুদ্ধেও ষড়যন্ত্ৰ কৰিছিল । একো বিত্তীয় আৰ্হি নথকাৰ বাবে, জীৱিকা নিৰ্বাহৰ বাবে এনেধৰণৰ ৱেবচাইটসমূহে দান বৰঙনিৰ ওপৰত নিৰ্ভৰ কৰে ।

যিহেতু এই ৱেবচাইটসমূহৰ বিত্তীয় ব্যৱস্থাটো অদৃশ্য আৰু অ-চচ্ছ সেইবাবে ইয়াৰ ওপৰত সন্দেহ পৰিলক্ষিত হৈছিল । এনে ৱেবচাইটসমূহ সেইবাবে দানবৰঙনি দিওঁতাৰ ফলীয়া হ'ব পাৰে । এই ৱেবচাইটসমূহে যিহেতু কংগ্ৰেছ দ'ল আৰু চৰকাৰৰ বিৰুদ্ধে একো পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই, সেইবাবে তেওঁলোকৰ বিশ্বাসযোগ্যতাৰ ওপৰত প্ৰশ্ন উত্থাপন হয় । সমাজৰ কাৰণে বিভিন্ন কাৰ্য্য কৰি আনৰ ভুল উদঙাই দিয়া এই ৱেবচাইট সমূহ নিজে কিমান নিকা । তেওঁলোকে আনৰ ক্ষেত্ৰত চচ্ছতা  আৰু নিকা হিচাপে প্ৰস্তুত কৰিব'লৈ চল কাৰ্য্যৰ জড়িয়তে ৰাজহুৱা খণ্ডত বহুতো তথ্য উজাগৰ কৰে । যদিও তেওঁলোকৰ জীৱন নিৰ্বাহ অজ্ঞাত উৎসৰ ওপৰত নিৰ্ভৰশীল, সেইবাবে এইয়া উপযুক্ত সময় যে এনেধৰণৰ ৱেবচাইটে তেওঁলোকৰ বিত্তীয় ব্যৱস্থা, উদ্দেশ্য আৰু কেৱল কিছু বিশেষ ব্যক্তিক লক্ষ্য কৰাৰ সম্পূৰ্ণ তথ্য ৰাজহুৱা কৰিব লাগে ।

নহ'লে তেনে ৱেবচাইটৰ ওপৰত সন্দেহৰ থল থাকিব যে তেওঁলোক কেৱল গুপন কাৰ্য্য বন্দী কৰাৰ বাবেহে ভাড়াত পোৱা যায় ।